| Series ONS | SET-4 |
|---|---|

Code No. **14**

Roll No. | | | | | | | |

Candidates must write the Code on the title page of the answer-book.

- Please check that this question paper contains **7** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **13** questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া

# ASSAMESE

*সময়: 3 ঘণ্টা* | *সৰ্বমুঠ নম্বৰ : 100*
*Time allowed : 3 hours* | *Maximum Marks : 100*

## SECTION - A

1. (ক) (i) মাধ্যাক্রিয়া কাক বোলে? ইয়াক অনি কি ক্রিয়াও বুলি ক'ব পাৰি? **1+1=2**

(ii) তলত আঁচ টনা শব্দটোক কি ক্রিয়া বোলা হয়? **1**

তেঁও <u>হাঁহিছে</u>।

(iii) কেৱলীয়া কৰ্তাৰ উদাহৰণ এটা দিয়া। **1**

(iv) চমুটোকা লিখা: **1+1=2**

অনুসাঙ্গিক অব্যয়, সকৰ্মক ক্রিয়া।

(v) সম্বোধন বোধক অব্যয় কাক বোলে? **1**

(vi) দুটা শব্দ বা বাক্যক পৃথক কৰি দেখুওৱা অব্যয়ক কি বোলে? **1**

(খ) (i) তলত দিয়াবোৰ কি শব্দ? **1**

কিতাপ-চিতাপ; ভাত-চাত।

(ii) দ্বিৰুক্ত অনুৰূপ শব্দ কাক বোলে? উদাহৰণ দি বুজাই লিখা। **2**

(iii) যুৰীয়া শব্দৰ উদাহৰণ এটা দিয়া। **1**

(গ) ষত্ব বিধি কি? উদাহৰণ সহ 'ষত্ব' বিধিৰ প্ৰধান দুটা নিয়ম লিখা। **3**

(ঘ) (i) দ্বন্দ্বসমাস কেই বিধ আৰু কি কি? **2**

(ii) তলত দিয়াবোৰৰ ব্যাস বাক্য ভাঙি দেখুৱাই সমাসৰ নাম লিখা **(দুটাৰ)**। **2**

দোমাহী, নীলাম্বৰ,ত্ৰিভুবন

(iii) বহুব্ৰীহি সমাস কাক বোলে উদাহৰণসহ বুজাই লিখা। **2**

(iv) মধ্যপদলোপী কৰ্মধাৰয় সমাস কাক বোলে উদাহৰণ দি বুজাই লিখা। **1**

(v) ৰূপক কৰ্মধাৰয় সমাসৰ এটা উদাহৰণ লিখা। **1**

(ঙ) (i) কৰ্ম কাৰকত কি বিভক্তি যোগ হয়? **1**

(ii) তলত আঁচ টনা শব্দ এটাৰ বিভক্তিৰ নাম লিখা। **1**

স্কুল <u>ছুটীৰ</u> পাচত খেল হ'ব।

<u>পানীত</u> মাছ থাকে।

(চ) (i) শুদ্ধ বচন নিৰ্ণয় কৰা : **1**

তেঁও-তেঁওসকল / তেঁওলোক / তেঁওহঁত

(ii) বহুবচন বুজোৱা শব্দ 'জাক' আৰু 'গন' ৰে দুটা শব্দ গঠন কৰা। **1**

(ছ) এটা শব্দত প্ৰকাশ কৰা : **1x4=4**

(i) বাটেৰে যোৱা মানুহ-

(ii) আহাৰ জীৰ্ণ নোযোৱা কাৰনে হোৱা বেমাৰ-

(iii) একে মাকৰ যি সন্তান-

(iv) যি গুণীৰ গুণ বুজিব পাৰে-

(জ) বাক্য ৰচনা কৰা : **1x4=4**

কঁকালত টঙালি বান্ধ; গা দাং; ঘৰ গোনা; হাত পাত।

## SECTION - B

**2.** ভাৱ মোকলাই লিখা (***এটাৰ***) : **5**

(ক) মানুহৰ জীৱনৰ আৰ্হি অব্যৰ্থ বীজ সি সকলো ঠাইতে গজে।

(খ) দুখ নকৰিলে মুখ নভৰে।

3. যি কোনো ***এটা*** বিষয় লৈ এখন ৰচনা লিখা : **10**

(ক) পৰিশ্ৰমৰ মৰ্যাদা।

(খ) তোমাৰ জীৱনৰ এটি স্মৰণীয় ঘটনা।

## SECTION - C

4. তলৰ যি কোনো ***এছোৱাৰ*** তাৎপৰ্য ব্যাখ্যা কৰা : **4**

(ক) এই পৃথিবীত পৰিশ্ৰমী আৰু অধ্যৱসায়ী মানুহৰ পক্ষে সৰু অৱস্থাৰ পৰা ডাঙৰ অৱস্থা পাবলৈ টান নহয়।

(খ) কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যু স্বৰূপ।

5. মহাপুৰুষৰ পদাংক অনুসৰণ কৰি মানুহে কিদৰে নিজক পৰিচালিত কৰিব পাৰে-পাঠটিৰ সহায়ত বুজাই লিখা। **6**

**নাইবা**

মিলাৰামে কি কি কাৰণত আত্মজীৱনী লিখিবলৈ লৈছিল? তেঁওৰ উপৰি পুৰুষৰ নাম কি? তেঁও কেতিয়া, কাৰ সতে ক'ৰপৰা অসমলৈ আহিছিল লিখা।

6. তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া : **1x4=4**

(ক) দেৱতা আৰু অসুৰ সকলে কি কাৰণে সমুদ্ৰ মন্থন কৰিছিল?

(খ) মানুহ দিনে দিনে কিহৰ উপাসক হৈ পৰিছে?

(গ) অসমীয়া কথাছবিৰ জনক কোন?

(ঘ) কোনখন ছবিৰ বাবে মলয়া গোস্বামীয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান লাভ কৰিছিল?

7. (ক) চমু পৰিচয় দিয়া (***দুজনৰ***) : **2x2=4**

(i) ফনী শৰ্মা

(ii) জয়মতী কথাছবি

(iii) মেঘ মল্লাৰ

(খ) ক'ত ক'ত শিক্ষা লাভ কৰি আনন্দৰাম বৰুৱা অগাধ পণ্ডিত হৈ পৰিছিল? **2**

8. প্ৰসংগ-সংগতি-দৰ্শাই ব্যাখ্যা কৰা : (***এছোৱাৰ***) **4x1=4**

(ক) দুৰ্নিবাৰ ভূমিকম্প উল্লাসে
বিকশিত হৈ আহিছে সেই
জীৱনৰ মহা প্ৰবাহে প্ৰবাহে
জনতাৰ মহাপ্ৰাণ।

(খ) চন্দন শুকাই গ'ল
শুকাল মালতী কৰণিতে;
ধূপ-গছি পুৰি গ'ল
শলাডালি পুৰিল বন্তিতে।

9. ''আঘোনৰ কুঁৱলী'ত এহাতে প্ৰেমৰ চিত্ৰ আৰু আনহাতে কবিৰ অন্তৰৰ বিষাদবোৰ কেনেদৰে প্ৰকাশ পাইছে চমুকৈ'' - আলোচনা কৰা। **6**

**নাইবা**

বৰগীত-সমূহ কাৰ কাৰ দ্বাৰা ৰচিত? এই গীতবোৰক বৰগীত কিয় বোলা হয় বুজাই লিখা।

10. তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা : **2x3=6**

(ক) ''আনন্দে গোবিন্দ বায়...'' বৰগীতটোৰ মাজেৰে শ্ৰীকৃষ্ণৰ কোনটো ৰূপ প্ৰকাশ পাইছে?

(খ) 'চিতাগ্নি হোমাগ্নি' কথাষাৰৰ তাৎপৰ্য কি?

(গ) 'জনতাৰ আহ্বান' কবিতাটোত কবিয়ে 'আজি পৃথিবীৰ আকাশে-আকাশে জনতাৰ আহ্বান' বুলি কিয় কৈছে?

11. তলৰ প্ৰশ্নবোৰৰ যথাযথ উত্তৰ দিয়া : **1x4=4**

(ক) জ্যোতি প্ৰসাদৰ কবিতা পুথিখনৰ নাম কি?

(খ) কবি নলিনীবালা দেবীক ভাৰত চৰকাৰে কি উপাধি প্ৰদান কৰিছিল?

(গ) 'মধূপ' শব্দৰ অৰ্থ কি?

(ঘ) কবি মহন্তক বাট ভেটি ধৰি কিহে আমনি কৰিছে?

12. তলৰ যিকোনো ***তিনিটা*** প্ৰশ্নৰ উত্তৰ লিখা : **2x3=6**

(ক) মূল্যবোধক সামাজিক দৃষ্টিকোনৰপৰা বিচাৰ কৰা।

(খ) আদৰ্শবাদী দাৰ্শনিক সকলৰ মতে চিৰন্তন মূল্যবোধ কেইটা আৰু কি কি বুজাই লিখা।

(গ) 'আধ্যাত্মিক মূল্যবোধ' কি বুজাই লিখা।

(ঘ) ভাৰতীয় সংবিধানে ভাৰতবৰ্ষক কেনে ৰাষ্ট্ৰহিচাপে প্ৰতিষ্ঠা কৰিছে চমুকৈ লিখা।

**13.** অতি-চমুকৈ উত্তৰ লিখা : **1x4=4**

(ক) মূল্যবোধ কি পৰিবেশত আয়ত্ত কৰা হয়?

(খ) ভাৰতীয় মূল্যবোধৰ অভিনৱ সংযোজন কি?

(গ) ভাৰতীয় দৰ্শন কি?

(ঘ) প্ৰকৃতিবাদী দাৰ্শনিকসকলে মূল্যবোধৰ ক্ষেত্ৰত কিহৰ ওপৰত বেছিকৈ গুৰুত্ব দিছে?